অধ্যায় ১০ঃ প্রবন্ধ লিখন, সমীক্ষা লিখন আৰু পৰিভাষাৰ প্ৰাথমিক ধাৰণা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ প্রবন্ধ লিখন

১০.৪ সমীক্ষা লিখন

১০.৫ পৰিভাষাৰ প্রাথমিক ধাৰণা

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্রগতিৰ খতিয়ান

১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রবন্ধৰ সংজ্ঞা দাঙি ধৰি পৰিভাষাটোৰ অর্থ আৰু ইতিহাস সম্পর্কে অনুধাৱন কৰিব
- প্রবন্ধৰ লিখন পদ্ধতি আৰু প্রবন্ধ লিখোতে কি কি দিশত গুৰুত্ব প্রদান কৰিব লাগে সেই বিষয়ে ধাৰণা লাভ কৰিব।
- সমীক্ষা মানে কি সেই বিষয়ে গম পাব
- সমীক্ষাৰ লিখন পদ্ধতি আৰু প্রকাৰভেদ সম্পর্কে জ্ঞান আহৰণ কৰিব
- পৰিভাষা মানে কি আৰু তাৰ প্রধান বৈশিষ্ট্যসমূহ নির্ধাৰণ কৰিব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি সম্প্রতিক দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষাই কেনে ৰূপ পৰিগ্রহ কৰিছে সেই সম্পর্কে আলোচনা কৰা হ'ল। এইটো অধ্যায়ত আমি প্রবন্ধ লিখন, সমীক্ষা লিখন আৰু পৰিভাষা সম্পর্কে প্রাথমিক ধাৰণা লাভ কৰিম।

প্রকৃষ্ট বন্ধন যুক্ত ৰচনাই প্রবন্ধ। ঠিক সেইদৰে কোনো সাহিত্যকৃতি মূল্যায়ন কৰিবলৈ ব্যৱহাৰ কৰা পদ্ধতিটোৱেই সমীক্ষা বুলি জনা যায়। ঠিক সেইদৰে ভাষা-চর্চাত পৰিভাষাৰ গুৰুত্ব আছে। সামগ্রিকভাৱে এই তিনিটা দিশ সম্পর্কে আভাস প্রদান কৰিবলৈকে আমাৰ পাঠ্যবিষয়ত এয়া অন্তর্ভুক্ত কৰা হৈছে।

১০.৩ প্রবন্ধ লেখন

প্রবন্ধ বুলিলে ভাবসমৃদ্ধ, মননশীল, যুক্তিনিষ্ঠ গদ্য ৰচনাক বুজায়। সৃষ্টিশীল সাহিত্য কল্পনাপ্রধান হোৱাৰ বিপৰীতে প্রবন্ধ হ'ল চিন্তাপ্রধান ব্যাখ্যাত্মক ৰচনা। বস্তুনিষ্ঠতা, চিন্তাৰ মৌলিকতা, ভাবৰ সমন্বয়, যুক্তিসন্মত বিচাৰ, তথ্যৰ সঠিক সংশ্লেষণ আৰু গঠনৰীতিৰ সুসংবদ্ধতা প্রবন্ধৰ মূখ্য বৈশিষ্ট্য।

প্রবন্ধৰ কাম কি? প্রবন্ধৰ মূখ্য কাম চিন্তাৰ উদ্বেগ কৰা। অর্থাৎ কোনো বিষয়, দর্শন, পৰিস্থিতি বা ঘটনা সম্পর্কে মানুহক ভাবিবলৈ উৎসাহিত কৰা বা চিন্তাৰ বাট দেখুওৱা অথবা পূর্বাপৰ চলিত ধাৰণা এটাৰ ত্রুটি-বিচ্যুতি দাঙি নতুনকৈ বিচাৰ কৰাবলৈ অনুপ্রাণিত কৰা। এনে চিন্তাৰ বিষয় বিভিন্ন হ'ব পাৰে, যেনে— আমাক ধর্ম কিয় লাগে? জীৱনৰ উদ্দেশ্য কি? ইতিহাসে সাম্প্রতিক সমাজক কি দৰে সমৃদ্ধ কৰিব পাৰে? বৃহৎ নদীবান্ধ কিয় নালাগে বা লাগে? অর্থাৎ, প্রবন্ধৰ বিষয় ইতিহাস-অর্থনীতি, সাহিত্য-সমাজ আদি বিভিন্ন হ'ব পাৰে। কেতিয়াবা অৱশ্যে কোনো এটা বিষয়ৰ জটিল কথাবোৰ, মূলসূত্রবোৰ সহজ কৰি জনপ্রিয় কৰিবৰ বাবেও প্রবন্ধ লিখা হয়। যেনে, মার্ক্সৰ 'দ্বন্দ্বাত্মক বস্তুবাদ' বা নিউটনৰ 'প্রিন্সিপিয়া'ৰ সূত্রবোৰ বা শংকৰাচার্যৰ 'অদ্বৈতবাদ'ৰ বিষয়ে সহজকৈ বুজাবলৈ ভালেমান উৎকৃষ্ট প্রবন্ধ ৰচনা কৰা হৈছে। কেতিয়াবা তুলনামূলক বিচাৰ কৰাও প্রবন্ধৰ উদ্দেশ্য হ'ব পাৰে। তুলনাই বিষয় এটাৰ মর্মার্থ বুজাত সহায় কৰে। কেতিয়াবা বিভিন্ন বিভাগৰ তথ্য বা সূত্রৰে সমাজ/ ইতিহাস/অর্থনীতি/ ৰাজনীতি বা অন্য বিষয়ৰ কোনো দিশক উদ্‌ঘাটন কৰিব পাৰি। 'অসমলৈ জনপ্রব্রজন' — এই বিষয়টোৰ লগত ইতিহাস, ৰাজনীতি, জনগাঁথনিৰ পৰিবর্তন, কৃষি অর্থনীতি, নিয়োগ আদি অনেক দিশ জড়িত আছে।

উপৰি উক্ত আলোচনাত স্পষ্ট — প্রবন্ধ বিচিত্র বিষয়ভিত্তিক হ'ব পাৰে; এই বিষয়বোৰক লৈ প্রবন্ধ লেখাৰ মূল উদ্দেশ্য হ'ল বিষয়বোৰৰ সম্পর্কে মানুহক চিন্তা কৰিবলৈ অনুপ্রাণিত কৰা।

চিন্তা কৰিবলৈ উৎসাহিত কৰিব পাৰিবলৈ প্রাবন্ধিকজন নিজেও অত্যন্ত চিন্তাশীল হ'ব লাগিব। এই চিন্তাশীলতা কেনেকৈ আহৰণ কৰিব পাৰি? প্রথম, গভীৰ আৰু সূক্ষ্ম অধ্যয়নৰ মাজেদি; দ্বিতীয় প্রখৰ অন্তর্দৃষ্টিৰে সমাজ আৰু ইতিহাসৰ পর্যবেক্ষণৰ মাজেদি; তৃতীয়তে দায়বদ্ধতা আৰু বস্তুনিষ্ঠ বিশ্লেষণ ক্ষমতাৰ মাজেদি। গতিকে প্রবন্ধ লেখিবলৈ লেখকজন গভীৰভাৱে অধ্যয়নপুষ্ট হ'বই লাগিব। লিখিব খোজা প্রবন্ধটোৰ বিষয় সম্বন্ধে প্রাবন্ধিকজন নিজে স্পষ্ট হ'ব লাগিব। লগতে চাব লাগিব প্রাবন্ধিকজনে প্রবন্ধটো কিয় লিখিব খুজিছে? প্রথম, সেই বিষয়টো সম্বন্ধে ইতিমধ্যে যিমানবোৰ কথা কোৱা হৈছে সেইবোৰত ক'ৰবাত অসম্পূর্ণতা আছে; দ্বিতীয়তে সেইবোৰত ক'ৰবাত ভুল ব্যাখ্যা হৈ আছে যিটো প্রাবন্ধিকজনে আঙুলিয়াই দিব বিচাৰিছে; তৃতীয়তে বিষয়টোৰ সম্পর্কত প্রাবন্ধিকজনে নতুন তথ্য বা ব্যাখ্যা বিচাৰি পাইছে — যিটোৱে বিষয়টোক নতুন মাত্রা দিব পাৰে, চতুর্থতে, প্রাবন্ধিকৰ কিবা পৰামর্শ দিবলগীয়া আছে, ইত্যাদি। গতিকে প্রবন্ধ একোটাত এই কথাখিনি প্রকাশ পাব লাগিব। তাৰ বাবে প্রাবন্ধিকজনে পূর্বে প্রকাশিত/ আলোচিত সকলো কথা খৰচি মাৰি পঢ়িব লাগিব। পঢ়াৰ পিছত বিষয়টোৰ লগত জড়িত অন্যান্য

ক্ষেত্ৰবোৰৰ পৰা পোৱা তথ্য/যুক্তি সূত্ৰ (তত্ত্ব)-ৰ পোহৰত আৰু নিজা চিন্তাৰ পোহৰত বিশ্লেষণ কৰিব লাগিব।



জানি থোৱা ভাল

অসমৰ এগৰাকী আগশাৰীৰ প্ৰাবন্ধিক হীৰেন গোহাঁইয়ে প্ৰবন্ধকাৰ এজন কেনে হোৱা উচিত সেই বিষয়ে মত পোষণ কৰিছে এনেদৰে — "যি জন লোকে কিতাপ-পত্ৰ বেছি নপঢ়ে, নিজৰ মনক বেছি প্ৰশ্ন কৰাৰ অভ্যাস যাৰ নাই, শ্ৰোতা বা পাঠকক কিবা জনোৱা বা বুজোৱাৰ উদ্দেশ্য যাৰ নাই — তেনেলোক প্ৰবন্ধকাৰ হিচাপেও সফল নহয়। গতানুগতিকতা যিকোনো বিধিৰ সাহিত্যৰে পৰম শত্ৰু। ... ...গতানুগতিকতা আৰু নীৰস গদ্দালিকা প্ৰবাহৰ পৰা মুক্ত কৰি সজীৱ মৌলিক চিন্তাৰে প্ৰবন্ধ সাহিত্য সজ্জীৱিত কৰিব লাগিব। ভাবৰ সংগতি ভাষাৰ উচিত্য সেই উদ্দেশেই চৰ্চা কৰিব লাগিব।"

এইখিনিতে মন কৰিবলগীয়া, সকলো প্ৰবন্ধই একে সূত্ৰৰে ৰচনা কৰিব নোৱাৰি। ধৰা হওক, বাংলা সাহিত্যৰ অম্লান দত্তৰ প্ৰবন্ধসমূহ। এইবোৰত বেছিভাগতে লেখকৰ নিজস্ব মৌলিক চিন্তাহে মূল সম্পদ। সাম্প্ৰতিক শিক্ষা ব্যৱস্থা, ইতিহাস, সমাজ, শিক্ষা আদি সকলো বিষয়ক প্ৰবন্ধতে দত্তই আনে নভবা, নেদেখা, নিচিন্তা কিছু দিশ চুম্বকধৰ্মী ভাষাৰে আঙুলিয়াই দিছে। একেদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ *তত্ত্বকথা*ৰ প্ৰবন্ধসমূহ ল'ব পাৰি। ইয়াত বেজবৰুৱাই হিন্দু ধৰ্মীয় শাস্ত্ৰৰ আধাৰত ভগৱৎ তত্ত্বক নিজা ভংগীৰে নানা উদ্ধৃতি উদাহৰণৰে আৰু শংকৰদেৱক মাজত ৰাখি আলোচনা কৰিছে। উদ্দেশ্য হ'ল — অসমীয়া মানুহক ভগবৎ তত্ত্বৰ জটিল তত্ত্ববোৰ সহজকৈ বুজোৱা আৰু সমান্তৰালভাৱে শংকৰদেৱৰ গুৰুত্ব প্ৰচাৰ কৰা। দত্ত আৰু বেজবৰুৱাৰ প্ৰবন্ধৰ বিষয় আৰু উদ্দেশ্য বেলেগ। গতিকে তাৰ ৰচনাৰীতি ভাষাৰূপ আৰু বিচাৰ ধাৰাত বেলেগ বেলেগ হ'ব। আকৌ যদি কোনোজনে বেজবৰুৱাৰ *তত্ত্বকথা*ৰ বিষয়েই এটা প্ৰবন্ধ লিখিব খোজে, তেতিয়া তেওঁ *তত্ত্বকথা*ৰ বিষয়বস্তু ৰচনাৰীতি, বেজবৰুৱাৰ ভাষা শৈলী *তত্ত্বকথা*ত বেজবৰুৱাৰ আদৰ্শ বা মতাদৰ্শগত প্ৰাবল্য, বিশ্লেষণৰ ধৰণ, অধ্যয়নৰ ব্যাপ্তি আদিবোৰ কথাই আলোচিত হ'ব। লগতে *তত্ত্বকথা* সম্পৰ্কে বা বেজবৰুৱাৰ তত্ত্বচিন্তাসম্পৰ্কে বিভিন্নজনৰ মন্তব্যত হয়তো প্ৰাবন্ধিকে নিজৰ সমৰ্থনত সংযোগ কৰিব যিবোৰক তথ্যসূত্ৰ বুলি পাদটীকাত স্থান পাব।

উপৰ্যুক্ত আলোচনাৰ পৰা এটা কথা স্পষ্ট — কিছুমান প্ৰবন্ধ মূলতঃ চিন্তাধৰ্মী আৰু কিছুমান আলোচনাধৰ্মী। কিছুমান তথ্যপ্ৰধান আৰু কিছুমান যুক্তিপ্ৰধান। কিছুমান বিশ্লেষণাত্মক কিছুমান সমীক্ষাত্মক ইত্যাদি। এই ভাগবোৰ কৰা হৈছে মূলতঃ প্ৰবন্ধৰ উদ্দেশ্য আৰু বিচাৰধাৰা অনুসৰি। হ'লেও তলসুতীয়াকৈ সকলো প্ৰবন্ধৰে মূল কথা এটাই — চিন্তাৰ ব্যাপ্তি।

প্ৰবন্ধ লেখিবলৈ প্ৰয়োজনীয় অন্য এটা কথা হ'ল পৰিভাষাৰ জ্ঞান। প্ৰতিটো বিষয়ৰে — সি সাহিত্য, ইতিহাস, অৰ্থনীতি, ভূতত্ত্ব, নৃতত্ত্ব যিকোনো হ'ব পাৰে, সকলোৰে কিছু নিজা

নিজা পৰিভাষা থাকে। যেনে Magic বা যাদু — নৃতত্ত্বৰ এটা পৰিভাষা। চিত্রকল্প, চেতনাস্রোত আদি সাহিত্য সমালোচনাৰ পৰিভাষা। এই পৰিভাষাবোৰৰ অবিহনে প্রবন্ধ লেখা সম্ভৱ নহয়। কিন্তু কথা হ'ল সাধাৰণ পাঠকে এই পৰিভাষাবোৰৰ লগত কিমান দূৰ পৰিচিত? গতিকে প্রাবন্ধিকে কাৰ বাবে লিখিব সেইটোও গুৰুত্বপূর্ণ। সাহিত্য বিষয়া উচ্চপর্যায়ৰ আলোচনীত সাহিত্যৰ পৰিভাষাবোৰ বিনাদ্বিধাই ব্যৱহাৰ কৰিব পাৰি। কাৰণ সেই আলোচনীখন সাহিত্য বিষয়ৰ জ্ঞান থকা সকলেই পঢ়িব। কিন্তু যেতিয়া সাধাৰণ পাঠকৰ বাবে লিখিবলগীয়া হয়, তেতিয়া পৰিভাষাৰ নির্বাচন, সৰলীকৰণ আদি কথাও আহি পৰে।

প্রবন্ধ লেখাৰ মাধ্যম হ'ল গদ্য। গদ্যৰ মূল কথাই হ'ল ই কাব্যভাষাৰ দৰে ৰসাল, কোমল অথবা স্পন্দিত নহয়। যুক্তি আৰু চিন্তাৰ বাহন গদ্য। সঠিক গদ্যই ইপ্সিত কথাখিনিক যথাযথভাৱে প্রকাশ কৰিব, সেয়া গুৰুত্বপূর্ণ। তাৰ বাবে প্রাবন্ধিকে যি ভাষাত প্রবন্ধ লিখিব খোজে সেই ভাষাৰ উৎকৃষ্ট গদ্যকাৰসকলৰ ৰচনা মনোযোগেৰে পঢ়িব লাগিব। আন্তঃর্জাতিক পৰিভাষাবোৰৰ ভাষান্তৰ কিদৰে হৈছে তাৰ খবৰ ৰাখিব লাগিব। সেই ভাষাৰ অভিধান মনোযোগেৰে অধ্যয়ন কৰিব লাগিব। সেই ভাষাৰ জতুৰা ৰূপটোৰ সৈতে গভীৰভাৱে পৰিচিত হ'ব লাগিব। অসমীয়া ভাষাৰ চিন্তাশীল গদ্যৰ বাবে বেজবৰুৱাৰ *তত্ত্বকথা* বাণীকান্ত কাকতিৰ *পুৰণি অসমীয়া সাহিত্য*, মহেশ্বৰ নেওগৰ *অৰুনোদয়ৰ* পাতনি, *হীৰেন গোহাঁইৰ ৰচনাৱলী* আদি আদর্শ হ'ব পাৰে।

প্রবন্ধ লিখিবৰ বাবে প্রথম কথা, কি ক'ব বিচৰা হৈছে পোনতে মনৰ মাজত জুকিয়াই লোৱা। এই কামটোৱেই প্রবন্ধৰ জঁকা। পাঠকে চিন্তাৰ গতি তথা লক্ষ্য পৰিষ্কাৰকৈ বুজিব লাগিব। তাৰ বাবে কোনটো যুক্তি, কোনটো তথ্য কেতিয়া উপস্থাপন কৰিব লাগিব, সেই সম্পর্কে সতর্ক হ'ব লাগিব। চিন্তাৰ ক্রম আৰু পৰিচ্ছন্নতাৰ প্রতি সজাগ নহৈ জধেমধে চিন্তাবোৰ ঢালি দিলে প্রবন্ধ পাগত নুঠে। এইখিনিতে পেৰাগ্রাফৰ বিষয়টো আহি পৰে। প্রবন্ধৰ সামৰণিটোও তাৎপর্য্যপূর্ণ। প্রবন্ধটোৰ জৰিয়তে লেখকৰ বক্তব্য, পৰামর্শ বা সমালোচনাৰ সাৰ কথা স্পষ্ট হ'ব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সকলো প্রবন্ধই একে সূত্রৰে ৰচনা কৰিব পাৰিনে?

.....

প্রশ্ন নং ২ ঃ প্রবন্ধ লেখিবলৈ পৰিভাষাৰ জ্ঞান অপৰিহায্য নে?

.....

১০.৪ সমীক্ষা লেখন

সমীক্ষা শব্দটোৰ আভিধানিক অর্থ হ'ল— তন্ন তন্নকৈ কৰা পৰীক্ষা, চালি জাৰি চোৱা কার্য, সমালোচনা। ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি যে সমীক্ষা লেখন বুলিলে আমি কোনো সাহিত্যপাঠৰ বিষয়ে তন্ন তন্নকৈ চালি জাৰি চাই সেই বিষয়ে লিখা সমালোচনাৰ কথাই বুজিম। এটা কথা ঠিক যে সমীক্ষা লেখনত লেখকজনৰ ভাবাদর্শই সকলো কথা নিয়ন্ত্রণ কৰে। লেখকজনে

কোনটো দৃষ্টিকোণৰ পৰা বিশেষ সাহিত্যপাঠ অংশ পৰ্যবেক্ষণ কৰি সমীক্ষা লিখিব সেয়া অতি গুৰুত্বপূৰ্ণ কথা আৰু ইয়াৰ ফলতেই বিভিন্ন ধৰণৰ সমীক্ষা পদ্ধতিৰো জন্ম হৈছে। অৱশ্যে আপুনি এই সকলোবোৰ দিশ ইয়াত অধ্যয়ন কৰিব নালাগে। সামগ্ৰিকভাৱে সমীক্ষা কেনেদৰে কৰা উচিত সেই বিষয়েহে আপোনাক জনাব বিচৰা হৈছে।

পৰম্পৰাগত ধাৰণা মতে সমীক্ষাই মূলতঃ তিনিটা কাম কৰে— (ক) সাহিত্য পাঠৰ বৰ্ণনা, (খ) পাঠ্যৰ ব্যাখ্যা আৰু (গ) পাঠৰ মূল্যায়ন। এই কাম কেইটা সূচাৰুৰূপে সম্পাদন কৰিবলৈ হ'লে সমীক্ষা লেখকজনে কেইটামান বিশেষ দিশত গুৰুত্ব প্ৰদান কৰিব লাগে। তলত সেই দিশ কেইটা উল্লেখ কৰা হ'ল—

- সমীক্ষকে প্ৰথমতে মূল লিখকজনৰ লিখনিৰ মাজেদি প্ৰকাশ কৰিব বিচৰা দৃষ্টিকোণ উপলব্ধি কৰিব লাগে, পাঠখিনিৰ ভাবাদৰ্শ অনুভৱ কৰিব লাগে। নিজস্ব মতামত বা দৃষ্টিভংগী আৰোপ কৰি সমীক্ষা কৰিবলৈ আগবাঢ়িব নালাগে।
- মনত ৰখা উচিত যে সাৰাংশ লিখিলেই সমীক্ষা নহয়। চমুকৈ সাৰাংশখিনি উল্লেখ কৰি পাঠ্যৰ ব্যাখ্যা আগবঢ়াই মূল্যায়ন কৰিব লাগিব। মূলতঃ মূল্যায়ন কৰিবৰ বাবেহে সাৰাংশ লিখাৰ প্ৰয়োজনীয়তা উপলব্ধ হয়।
- সমীক্ষকে সমীক্ষা কৰিবলৈ লোৱা পাঠটোৰ বিষয়বস্তু তথা তাৰ প্ৰকাশৰীতি সম্পৰ্কে নিজস্ব অভিমত প্ৰকাশ কৰিব লাগে।
- পাঠটোৰ অন্তৰ্নিহিত ভাববাজি পাঠকৰ সন্মুখত তুলি ধৰিব লাগে।
- পাৰিলে মানে একে ধৰণৰ ভাব আৰু চিন্তাৰ সমপৰ্যায়ৰ বা বিপৰীতধৰ্মী পাঠ থাকিলে যথোপযুক্ত, তুলনামূলক আলোচনা আগবঢ়াব লাগে।
- সহজ-সৰল, সংযত আৰু পৰিমিত ভাষাৰে সকলোৱে বুজিব পৰাকৈ সমীক্ষাখিনি প্ৰস্তুত কৰা উচিত। প্ৰাসংগিক তথ্যহে ইয়াত উল্লেখ কৰিব লাগে। ভাষা সদায় স্পষ্ট হোৱা উচিত।
- সমীক্ষা সদায়েই বস্তুনিষ্ঠ হোৱা উচিত। পাঠ বৰ্হিভূত আৰু অপ্ৰাসংগিক কথা ইয়াত উল্লেখ কৰাৰ প্ৰয়োজন নাই।
- নিৰ্মোহভাৱে সকলোখিনি কথা বিশ্লেষণ কৰিব লাগে। সমীক্ষক গৰাকীয়ে যে কেৱল প্ৰশংসাই কৰিব লাগে তেনে নহয়। ভাবচিন্তা আৰু প্ৰকাশভংগীত কিবা আঁসোৱাহ থাকিলে সেয়াও লিপিবদ্ধ কৰিব লাগে।
- সমীক্ষা কিমান দীঘল হ'ব সেয়া নিৰ্ভৰ কৰিব প্ৰাসংগিক মতামতখিনি প্ৰকাশ কৰিবলৈ কিমানখিনি দৈৰ্ঘৰ প্ৰয়োজন— তাৰ ওপৰত। সমীক্ষা লিখোতে অযথা দীঘল কৰিবও নালাগে আৰু প্ৰয়োজনীয় কথা বাদ দিও সমীক্ষা প্ৰস্তুত কৰিব নালাগে।
- মূল পাঠৰ প্ৰকাশভংগী সমীক্ষাত পৰাপক্ষত ব্যৱহাৰ কৰিব নালাগে। সমীক্ষকগৰাকীয়ে নিজস্ব ভাষাশৈলী, ৰীতিৰে সেয়া প্ৰকাশ কৰা যুগুত।

এই দিশ কেইটাত গুৰুত্ব প্ৰদান কৰিয়েই সাধাৰণভাৱে কোনো পাঠৰ সমীক্ষা প্ৰস্তুত কৰিব পাৰি। অৱশ্যে ইয়াৰ লগতো আৰু বহু কথা জড়িত হৈ আছে। এই পাঠ্যবিষয়ৰ জৰিয়তে

আপোনাক সম্যকভাৱে সমীক্ষাৰ পৰিচয় দিবলৈহে চেষ্টা কৰা হৈছে বাবে সেইখিনি কথা উল্লেখ কৰা নহ'ল। সম্প্ৰতি আপুনি এইখিনি কথা অধ্যয়ন কৰি সমীক্ষা লিখিবলৈ যত্ন কৰক। তলত আপোনাৰ সুবিধাৰ্থে এটা কবিতাৰ সমীক্ষা উল্লেখ কৰা হ'ল। পৰীক্ষাত যি কোনো ধৰণৰ পাঠ তুলি দি তাৰ সমীক্ষা লিখিবলৈ দিয়া হ'ব।

উদাহৰণ ঃ **নিয়ৰ** *চন্দ্ৰকুমাৰ আগৰৱালা*

মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা,
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।
নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি !
ফুলনিত কোনে নিশা নাচিছিল
ছিগি ৰই গ'ল মণি,
ৰঙিলীৰ ভাব হাঁহি নাচোনৰ
ৰ'ল চিন এইকণি।
ৰাতিৰ ধেমালি জোনৰ নিফুট
হাঁহিৰে থৈছে সানি,
পুৱাৰ হেঙুলি বেলিটিলৈ চাই
এটুপি চকুৰ পানী।
নিয়ৰ কলিৰে শোভে ফুলজুপি
চাইছোঁ ভাবতে ভাহি,
হায় কি বিষম পেলালে বায়ুৱে
জোকাৰি ফুলৰ পাহি।

- **সমীক্ষা ঃ** চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহৰ মাজত প্ৰকাশিত হোৱা এটি স্পষ্ট বৈশিষ্ট্য হৈছে — নৈসৰ্গিক বা প্ৰকৃতি বিষয়ক চিত্ৰণ। তেওঁৰ নিয়ৰ কবিতাটি এই ধাৰাটোৰ এক সাৰ্থক উদাহৰণ। শীতকালৰ ৰাতিপুৱাৰ ৰ'দৰ পোহৰ পৰি গছৰ পাতত জিলিকি উঠা নিয়ৰ এটোপালক লৈয়ে ৰচিত এই কবিতাটিত প্ৰকৃতিৰ অনন্য সুন্দৰ ৰূপ এটি ফুটি উঠিছে।

  নিয়ৰটুপিক অৱলম্বন হিচাপে লৈ কবি উৰা মাৰিছে কল্পনাৰ এখন মধুৰ জগতলৈ। কবিতাটিৰ প্ৰথম স্তৱকত কবিয়ে কল্পনা কৰিছে সেয়া যেন নিয়ৰ নহয়, ফটিক পানীৰে ধোৱা

মুকুতা মণি এটিহে গছৰ পাতত জিলিকি আছে। পিছ মুহূর্ততে কবিয়ে আকৌ কৈছে সেয়া ৰাতিৰ আকাশৰ এটি তৰাহে। টোপনিৰ কবলত ক'ব নোৱৰাকৈয়ে সৰি পৰি গছৰ পাতত জিলিকি আছে। দ্বিতীয় স্তৱকত এই ভাবেই অনুৰণন তুলি কৈছে— সেই তৰাটিয়ে ৰাতিৰ নীৰৱ নিজম আকাশৰ মনৰ গুপুত কথাটি বুকুৰ মাজত সাঁচি থৈছে। কবিৰ মনত ভাব হৈছে তৰাটিয়ে পুৰণি কথা মনত পেলাই সপোন দেখিছে যে কোনে হাঁহি হাঁহি নাচিছিল ইয়াত।

কবিতাটিৰ তৃতীয় স্তৱকত কবিয়ে পুনৰ নতুন ধাৰণাৰে কল্পনাৰ ডেউকা মেলিছে। ৰাতি আহি যেন সেই ফুলনিখনত কোনোবা পৰীয়েহে নাচিছিলহি। তেওঁলোকৰ গাত থকা মণিধাৰ চিগি এনেদৰে গছৰ পাতত লাগি ৰ'ল। এই নিয়ৰটুপিয়ে যেন ৰাতিৰ সেই পৰীসকলৰ আনন্দ-উৎসৱ, হাঁহি-নাচোনৰ চিনহে। ইয়াৰ পাছৰ স্তৱকটিত তৃতীয় স্তৱকত প্ৰতিফলিত এই ভাব ধাৰাটিয়েই প্ৰতিধ্বনিত হৈছে। কবিয়ে কল্পনা কৰিছে— নিয়ৰটুপিয়ে যেন ৰাতিৰ সেই ৰং-ধেমালিৰ চিহ্নখিনি জোনটিৰ অব্যক্ত হাঁহিটিৰে সানি ৰাখিছে। পিছ মুহূর্ততে কবিয়ে আকৌ ভাবিছে যে নিয়ৰটুপি যেন চকুপানীহে। পুৱাৰ হালধীয়া বেলিটো উদয় হোৱাত ৰাতিৰ ৰং-উচৰৰ সমাপ্ত কৰিব লগা হ'ল। তাৰ বাবে তেওঁলোকৰ মনৰ দুখত ওলাই অহা চকুপানীহে এনেদৰে জিলিকি ৰৈছে।

কবিতাটিৰ শেষ স্তৱকত কবিয়ে ব্যক্ত কৰিছে যে ফুলজোপাত থকা নিয়ৰৰ টোপালবোৰ ফুলৰ কলি যেন তেওঁৰ ভাব হৈছে। সাধাৰণতে ফুলৰ কলিৰে গছ এজোপা ভৰি থাকিলে সুন্দৰ লাগে। কবিতাটিত নিয়ৰৰ টোপালবোৰো কবিৰ দৃষ্টিত ফুলৰ কলিলৈ ৰূপান্তৰিত হৈছে। কবিক সেই ভাবনাই আনন্দ প্ৰদান কৰিছে, ভাবত তেওঁ উটি ভাঁহি গৈছে। ঠিক তেনে সময়ত এচাটি বতাহে নিয়ৰৰ টোপালবোৰ সৰাই পেলালে। কবিৰ মনত সেই সময়ত নিয়ৰৰ টোপালসমূহ পৰিৱর্তন ঘটিছে ফুলৰ পাহিলৈ। কাৰণ বতাহত ফুলৰ পাহি সৰি পৰে। ঠিক তেনেদৰে নিয়ৰৰ টোপালবোৰো বতাহৰ পৰশত ফুলৰ পাহিৰ দৰে সৰি পৰিছে। পৃথিৱীৰ সকলো বস্তুৱেই ক্ষণ-ভংগুৰ। কিন্তু ক্ষণ-ভংগুৰ হ'লেও যি কোনো সৌন্দর্যই মানুহৰ মনত অপাৰ বিস্ময় সৃষ্টি কৰি এক বিমল আনন্দ প্ৰদান কৰে। কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ এই কবিতাটিত সেয়াই ধ্বনিত হৈছে।

এনেদৰে পাঁচোটা স্তৱকৰ মাজেদি কবি চন্দ্ৰকুমাৰ আগৰৱালাই সাধাৰণ দৃষ্টিত ধৰা নপৰা নিয়ৰ এটোপালক লৈয়ে অপৰূপ প্ৰকৃতিৰ জয়গান গাইছে। ইয়াৰ মাজেদি কবিৰ সহজাত প্ৰকৃতিপ্ৰীতিৰ পৰিচয় পোৱা যায়। সহজ-সৰল ভাষাৰে, সকলোৰে বোধগম্য হোৱাকৈ ৰচনা কৰা এই নিয়ৰ কবিতাটি চন্দ্ৰকুমাৰ আগৰৱালাৰ এটি মোহনীয় আৰু সুখপাঠ্য কবিতা।

এই উদাহৰণটোকে আধাৰ হিচাপে লৈ আপুনি বেলেগে বেলেগ কবিতা বা গদ্যপাঠৰ সমীক্ষা প্ৰস্তুত কৰিবলৈ যত্ন কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ পৰম্পৰাগত ধাৰণা মতে সমীক্ষাই মূলতঃ কেইটা আৰু কি কি কাম কৰে?

.....

.....

১০.৫ পৰিভাষাৰ প্ৰাথমিক ধাৰণা

পৰিভাষা বুলিলে নিৰ্দিষ্ট ক্ষেত্ৰ, উদ্যোগ বা বিষয়ৰ ভিতৰত ব্যৱহৃত বিশেষ ভাষাক বুজোৱা হয়। এই শব্দবোৰৰ প্ৰায়ে নিৰ্দিষ্ট অৰ্থ থাকে যিবোৰ সেই নিৰ্দিষ্ট ক্ষেত্ৰৰ বাহিৰৰ লোকৰ বাবে তৎক্ষণাত স্পষ্ট নহ'বও পাৰে। ভাষা আৰু ভাষাবিজ্ঞানৰ প্ৰসংগত পৰিভাষাই কোনো নিৰ্দিষ্ট ভাষাৰ ভিতৰত ব্যৱহৃত কাৰিকৰী শব্দ বা শব্দ ব্যৱস্থাক প্ৰতিনিধিত্ব কৰে, যেনে বৈজ্ঞানিক, চিকিৎসা বা আইনী পৰিভাষা। নিজ নিজ ক্ষেত্ৰৰ ভিতৰত বিশেষজ্ঞ, পেছাদাৰী বা উৎসাহীসকলৰ মাজত স্পষ্ট আৰু নিখুঁত যোগাযোগৰ বাবে পৰিভাষাসমূহ অপৰিহাৰ্য। এই ব্যৱস্থাই কাৰিকৰী আলোচনা বা নথিপত্ৰত নিখুঁত আৰু সঠিক অৰ্থ প্ৰকাশ কৰাত সহায় কৰে, যাৰ ফলত ভুল বুজাবুজিৰ আশংকা হ্ৰাস পায়। পৰিভাষাৰ কিছুমান মৌলিক বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল।

- **ডমেইন-নিৰ্দিষ্ট ভাষা ঃ** পৰিভাষাক নিৰ্দিষ্ট ক্ষেত্ৰ বা শাখাৰ অনন্য যোগাযোগৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ডিজাইন কৰা হয়। ইয়াত কাৰিকৰী শব্দ আৰু বিশেষ শব্দভাণ্ডাৰ সামৰি লোৱা হৈছে; যিবোৰ সাধাৰণতে দৈনন্দিন ভাষাত ব্যৱহাৰ কৰা নহয়। পৰিভাষাই এটা ক্ষেত্ৰৰ ভিতৰৰ বিশেষজ্ঞসকলক দক্ষতাৰে আৰু নিখুঁতভাৱে যোগাযোগ কৰিবলৈ সুবিধা প্ৰদান কৰে। যাৰ ফলত জ্ঞান বিনিময়ৰ সুবিধা হয় আৰু অস্পষ্টতা এৰাই চলিব পাৰি।
- **নিখুঁত আৰু স্পষ্টতা ঃ** পৰিভাষাৰ লক্ষ্য অতি নিখুঁত আৰু স্পষ্ট। ই এনে প্ৰামাণিক শব্দ প্ৰদান কৰে যিবোৰৰ এটা বিশেষ প্ৰসংগৰ ভিতৰত সুনিৰ্দিষ্ট অৰ্থ থাকে। নিখুঁত পৰিভাষা ব্যৱহাৰ কৰি পেছাদাৰীসকলে ধাৰণা আৰু ধাৰণাসমূহ সঠিকভাৱে যোগাযোগ কৰিব পাৰে, যাৰ ফলত ভুল ব্যাখ্যা বা ভুল বুজাবুজিৰ আশংকা হ্ৰাস পায়।
- **সামঞ্জস্য আৰু প্ৰামাণিকীকৰণ ঃ** পৰিভাষাই এটা নিৰ্দিষ্ট ক্ষেত্ৰৰ ভিতৰত সামঞ্জস্য আৰু প্ৰামাণিকীকৰণক প্ৰসাৰিত কৰে। ই নিশ্চিত কৰে যে কোনো ধাৰণা বা অৰ্থ একে ধৰণৰ বিভিন্ন নথিপত্ৰ, প্ৰকাশন বা আলোচনাৰ মাজেৰে সামঞ্জস্যপূৰ্ণভাৱে প্ৰকাশিত হয়। প্ৰামাণিক পৰিভাষাই অৰ্থৰ স্পষ্টতা সমৃদ্ধ কৰে তথা তথ্য উদ্ধাৰ কৰাত সহায় কৰে আৰু পেছাদাৰীসকলৰ মাজত ফলপ্ৰসূ যোগাযোগ আৰু সহযোগিতাত সহায় কৰে।
- **বিশেষ সংজ্ঞা ঃ** পৰিভাষাত প্ৰায়ে ব্যৱহৃত শব্দসমূহৰ সংজ্ঞা বা ব্যাখ্যা অন্তৰ্ভুক্ত কৰা হয়। এই সংজ্ঞাসমূহ নিৰ্দিষ্ট প্ৰসংগৰ অনুকূল আৰু ইয়াত প্ৰয়োগ হোৱা ভাষা সাধাৰণতে ব্যৱহৃত

ভাষাতকৈ কিছু পৃথক হ'ব পাৰে। স্পষ্ট আৰু সংক্ষিপ্ত সংজ্ঞা প্ৰদান কৰি পৰিভাষাই নিশ্চিত কৰে যে ব্যৱহাৰকাৰীসকলে প্ৰতিটো শব্দৰ উদ্দেশ্যপ্ৰণোদিত অৰ্থ বুজি পায় আৰু ইয়াক সঠিকভাৱে ব্যৱহাৰ কৰে।

- **বিৱৰ্তন আৰু আপডেট ঃ** পৰিভাষা স্থিতিশীল নহয়; সময়ৰ লগে লগে বিকশিত হয়। কোনো এটা ক্ষেত্ৰৰ ভিতৰত নতুন ধাৰণা, প্ৰযুক্তি বা পদ্ধতিৰ উত্থানৰ লগে লগে নতুন শব্দৰ উদ্ভাৱন হয় বা বৰ্তমানৰ শব্দৰ অৰ্থৰ পৰিৱৰ্তন বা সম্প্ৰসাৰণ কৰা হয়। পেছাদাৰীসকলে তেওঁলোকৰ ডমেইনৰ ভিতৰত সঠিক আৰু ফলপ্ৰসূ যোগাযোগ বজাই ৰাখিবলৈ শেহতীয়া পৰিভাষাৰ সৈতে আপডেট হৈ থকাটো গুৰুত্বপূৰ্ণ।
- **পৰিভাষা ব্যৱস্থাপনা ঃ** পৰিভাষাৰ সামঞ্জস্যপূৰ্ণ আৰু সঠিক ব্যৱহাৰৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি সংস্থা আৰু উদ্যোগসমূহে প্ৰায়ে বিশেষ পৰিভাষা ব্যৱস্থাপনা প্ৰক্ৰিয়া প্ৰতিষ্ঠা কৰে। ইয়াৰ ভিতৰত পৰিভাষা ডাটাবেইচ বা শব্দকোষ সৃষ্টি আৰু ৰক্ষণাবেক্ষণ কৰা, ব্যৱহাৰৰ বাবে নিৰ্দেশিকা লিখি উলিওৱা আৰু পৰিভাষা সম্পদসমূহৰ বোধগম্যতা আৰু ব্যৱহাৰযোগ্যতা সুনিশ্চিত কৰা কথাখিনি লিপিবদ্ধ কৰা থাকে।
- **বহুভাষিক পৰিভাষা ঃ** বিশ্বত ব্যৱহৃত ভিন ভিন ভাষাৰ প্ৰসংগত ক'ব পাৰি যে, সকলোৰে সৈতে যোগাযোগৰ সুবিধাৰ বাবে একাধিক ভাষাত পৰিভাষা থাকিব পাৰে। বহুভাষিক পৰিভাষা সম্পদ, যেনে বহুভাষিক শব্দকোষ বা অনুবাদ ডাটাবেছ, বিভিন্ন দেশ বা অঞ্চলৰ পেছাদাৰীসকলক তেওঁলোকৰ মাজত বুজাবুজি বৰ্তাই ৰাখিবলৈ সহায় কৰে আৰু ভাষাৰ মাজত শব্দৰ সঠিক অনুবাদ নিশ্চিত কৰে।

সামৰণিত ক'ব পাৰি যে ফলপ্ৰসূ যোগাযোগৰ বাবে নিখুঁত আৰু প্ৰামাণিক ভাষা প্ৰদান কৰি বিশেষ ক্ষেত্ৰ আৰু উদ্যোগসমূহত পৰিভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ পৰিভাষাৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক?

.....

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰবন্ধ বুলিলে ভাবসমৃদ্ধ, মননশীল, যুক্তিনিষ্ঠ গদ্য ৰচনাক বুজায়। সৃষ্টিশীল সাহিত্য কল্পনাপ্ৰধান হোৱাৰ বিপৰীতে প্ৰবন্ধ হ'ল চিন্তাপ্ৰধান ব্যাখ্যাত্মক ৰচনা। বস্তুনিষ্ঠতা, চিন্তাৰ

মৌলিকতা, ভাবৰ সমন্বয়, যুক্তিসন্মত বিচাৰ, তথ্যৰ সঠিক সংশ্লেষণ আৰু গঠনৰীতিৰ সুসংবদ্ধতা প্ৰবন্ধৰ মুখ্য বৈশিষ্ট্য। প্ৰবন্ধ লিখোতে আমি কি কি দিশত মূলতঃ গুৰুত্ব দিব লাগে সেই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হৈছে।

- সমীক্ষা শব্দটোৰ আভিধানিক অর্থ হ'ল— তন্ন তন্নকৈ কৰা পৰীক্ষা, চালি জাৰি চোৱা কার্য, সমালোচনা। ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি যে সমীক্ষা লেখন বুলিলে আমি কোনো সাহিত্যপাঠৰ বিষয়ে তন্ন তন্নকৈ চালি জাৰি চাই সেই বিষয়ে লিখা সমালোচনাৰ কথাই বুজিম। পৰম্পৰাগত ধাৰণা মতে সমীক্ষাই মূলতঃ তিনিটা কাম কৰে— (ক) সাহিত্য পাঠৰ বর্ণনা, (খ) পাঠ্যৰ ব্যাখ্যা আৰু (গ) পাঠৰ মূল্যায়ন। এই কাম কেইটা সূচাৰুৰূপে সম্পাদন কৰিবলৈ হ'লে সমীক্ষা লেখকজনে কেইটামান বিশেষ দিশত গুৰুত্ব প্ৰদান কৰিব লাগে। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হৈছে।
- পৰিভাষা বুলিলে নির্দিষ্ট ক্ষেত্ৰ, উদ্যোগ বা বিষয়ৰ ভিতৰত ব্যৱহৃত বিশেষ ভাষাক বুজোৱা হয়। অধ্যায়টোত পৰিভাষা মানে কি সেই বিষয়ে চমুকৈ লিখি তাৰ কেইটিমান বিশেষ বৈশিষ্ট্যৰ কথা চমুকৈ উল্লেখ কৰা হ'ল।



১০.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কটকী, প্ৰফুল্ল (১৯৯৫); *প্ৰায়োগিক সমীক্ষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) কটকী, প্ৰফুল্ল (২০০৫); *সাহিত্য-সংজ্ঞা কোষ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) ঠাকুৰীয়া, ৰামমল (১৯৭১);*সাহিত্য বিচাৰ;* গুৱাহাটী ঃ লক্ষ্মী প্ৰকাশ।

৪) ডেকা, ধর্মসিংহ (২০০৭); *ৰচনা বিচিত্ৰা;* গুৱাহাটী।

৫) বৰা, মহেন্দ্ৰ (১৯৮৫); *সাহিত্য উপক্ৰমণিকা;* গোলাঘাট ঃ ভাৰতী বুক ষ্টল

৬) বৰুৱা, তুলতুল(২০০৮);*অসমীয়া ৰচনা সংকলন;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰচ।

ইংৰাজী গ্ৰন্থ

৭) Abrams, M. H (1993). *A Glossary of LiteratryTerms*. Bangalore: Prism Books Pvt. Ltd.

৮) Hudson, W. H. (1983). *An Introduction to the Study of Literature*. New Delhi: Kalyani Publisers.

৯) Johnson, A. (2023). *Foundations of Terminology: Exploring Theoretical Frameworks.* New York, NY: Academic Press.

১০) Williams, E. P. (2023). *Terminological Semantics: Unraveling Meaning in Specialized Language.* Chicago, IL: University of Chicago Press.



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নোৱাৰি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰবন্ধ লেখিবলৈ পৰিভাষাৰ জ্ঞান অপৰিহাৰ্য্য বুলিয়েই ক'ব পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত ধাৰণা মতে সমীক্ষাই মূলতঃ তিনিটা কাম কৰে— (ক) সাহিত্য পাঠৰ বৰ্ণনা, (খ) পাঠ্যৰ ব্যাখ্যা আৰু (গ) পাঠৰ মূল্যায়ন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিভাষাৰ দুটা প্ৰধান বৈশিষ্ট্য হ'ল— ডমেইন-নিৰ্দিষ্ট ভাষা আৰু বিশেষ সংজ্ঞা প্ৰদান।



১০.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

(ক) সাৰাংশ লিখিলেই সমীক্ষা নহয়।

(খ) মূল পাঠৰ প্ৰকাশভংগী সমীক্ষাত পৰাপক্ষত ব্যৱহাৰ কৰিব নালাগে। সমীক্ষক-গৰাকীয়ে নিজস্ব ভাষাশৈলী, ৰীতিৰে সেয়া প্ৰকাশ কৰা যুগুত।

(গ) প্ৰবন্ধৰ মূল কথা এটাই — চিন্তাৰ ব্যাপ্তি।

(ঘ) প্ৰাবন্ধিকে যি ভাষাত প্ৰবন্ধ লিখিব খোজে সেই ভাষাৰ উৎকৃষ্ট গদ্যকাৰসকলৰ ৰচনা কোনোদিন মনোযোগেৰে পঢ়িব নালাগে।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰবন্ধ লিখিবলৈ প্ৰয়োজনীয় চিন্তাশীলতা কেনেকৈ আহৰণ কৰিব পাৰি?

প্ৰশ্ন ২ ঃ সমীক্ষা লেখক এজনে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিব লগীয়া চাৰিটা কথা উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সমীক্ষা বুলিলে কি বুজে? এগৰাকী সাৰ্থক সমীক্ষকৰ কি কি গুণ থাকিব লাগে? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰবন্ধ কাক বোলে? প্ৰবন্ধ লিখিবলৈ কি কি দিশত অধিক গুৰুত্ব প্ৰদান কৰা হয় সেই বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সমীক্ষা লিখক—

প্ৰায় ষাঠিজন প্ৰেছ ৰিপ'টাৰ আৰু ফটোগ্ৰাফাৰে হাস্পতালৰ প্ৰধান ওলোৱা-সোমোৱা বাটটোৰ সন্মুখৰ ফুলনিখনৰ ওচৰত অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল। তেওঁলোকৰ কোনো-কোনো ফুলনিৰ ৰেলিঙত বহিছিল, কোনো-কোনো যীচুখ্ৰীষ্টৰ প্ৰকাণ্ড মূৰ্তিটোৰ চাৰিওকাষে থকা ছিৰিবিলাকত বহিছিল, দুজনমান হাস্পতালৰ গাড়ী বাৰাণ্ডাৰ শকত স্তম্ভ দুটাত আঁউজি আছিল, কোনো কোনোৱে নিতান্ত অলস-উদাসীনভাৱে চিগাৰেট হুপি-হুপি ইফালে-সিফালে খোজকাঢ়ি ফুৰিছিল, আৰু তেওঁলোকৰ প্ৰায় সকলোৱেই তিনি-চাৰিজনৰ জুম একোটা বান্ধি চিকিৎসা বিজ্ঞানৰ উজ্জ্বল সম্ভাৱনাৰ পৰা আৰম্ভ কৰি বনৰীয়া ফুলৰ উচ্ছৃংখল সৌন্দৰ্যলৈকে বিভিন্ন বিষয়ৰ ওপৰত বিশেষজ্ঞৰ গাম্ভীৰ্যৰে, তৰ্কত জিকা উত্তেজনাৰে, আড্ডাৰ মুখ্য ব্যক্তি হ'ব পৰাৰ উৎসাহেৰে আলোচনা কৰিছিল। কথা-বতৰাৰ মাজতে অলপ সময়ৰ কাৰণে নিষ্ক্ৰিয় হৈ পৰিবলগীয়া হোৱা ফটোগ্ৰাফাৰসকলে কেমেৰাৰ লেন্সখনৰ ওচৰৰ ইটো-সিটো লৰোৱা-চৰোৱা কৰিছিল আৰু ভিউফাইণ্ডাৰৰ মাজেদি হাস্পতালৰ প্ৰধান ওলোৱা-সোমোৱা বাটটোৰ ছিৰিবিলাক আৰু বাৰাণ্ডাখন জুমি চাইছিল। নতুন বেলিৰ কোমলৰ ৰ'দে ছিৰিবিলাক আৰু বাৰাণ্ডাখন ঠিক ফটোগ্ৰাফিৰ কাৰণে উপযোগী তীব্ৰতাৰে পোহৰ কৰি ৰাখিছিল কাৰণে তেওঁলোকে ভাল পাইছিল; এটা বুৰঞ্জীপ্ৰসিদ্ধ ঘটনাৰ ছবিয়ে কেমেৰাত সুন্দৰভাৱে ধৰা দিব কাৰণে তেওঁলোকে মাজে-মাজে আকাশ আৰু বেলিটোৰ প্ৰশংসা কৰিছিল।

প্ৰশ্ন ৪ ঃ পৰিভাষা বুলিলে কি বুজে? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

*** ***** ***